**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 7**-08-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**১। বিৰোধী পক্ষৰ সদস্যসকলে বিভিন্ন বিষয় লৈ সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে আজি সংসদৰ উভয় সদনৰ কামকাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।**

**২। এন ডি এ-য়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাজ্যসভাৰ নেতা জে পি নাড্ডাক মিত্ৰজোঁটৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী বাছনি কৰাৰ দায়িত্ব অৰ্পণ কৰিছে।**

**৩। দেশৰ বৰ্ণাঢ্য বয়ন পৰম্পৰাক স্বীকৃতি দি আজি বিভিন্ন প্ৰান্তত একাদশ ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰা হয়।**

৪। সংসদত আজি উপকূলীয় জাহাজ বিধেয়ক -২০২৫ গৃহীত হয়।

***আৰু***

**৫। উত্তৰ-পূব খণ্ড উন্নয়ন মন্ত্ৰালয়ে অসমৰ মঙলদৈ-মাজিকুছি সংযোগী পথ নিৰ্মাণত অনুমোদন জনাইছে।**

ooooooo

বিহাৰত ভোটাৰ তালিকাৰ বিশেষ সংশোধন আৰু অন্যান্য বিষয় সন্দৰ্ভত বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি এই সপ্তাহৰ চতুৰ্থ দিনাও সংসদৰ উভয় সদনৰ কামকাজ ব্যাহত হয়।

দ্বিতীয়বাৰ স্থগিতকৰণৰ পাছত দিনৰ দুই বজাত লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী সাংসদসকলে ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ বিষয়টো আলোচনাৰ দাবী জনাই সদনৰ মজিয়ালৈ উঠি আহি ধ্বনি দিবলৈ আৰম্ভ কৰে। সেই সময়ত অধ্যক্ষৰ আসনত থকা সদস্যগৰাকীয়ে কয়, যে ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ বিষয়টো নিৰ্বাচন আয়োগৰ অধীনত আছে আৰু ইয়াৰ প্ৰক্ৰিয়া চলি আছে। তেওঁ লগতে কয়, যে বিষয়টো উচ্চতম ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে আৰু সদনত ইয়াৰ আলোচনা কৰিব নোৱাৰি। তেওঁ প্ৰতিবাদৰত সাংসদসকলক নিজৰ নিজৰ আসনলৈ উভতি যাবলৈ আৰু সদনৰ কামকাজ চলাই নিয়াত সহযোগ কৰিবলৈ আহ্বান জনায়। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে সদনত মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ সংশোধনী বিধেয়ক, ২০২৫ আৰু মণিপুৰ বিনিয়োজন (সংখ্যা ২) বিধেয়ক ২০২৫ গৃহীত হয়। সদন পৰিচালনাৰ দায়িত্বত থকা সদস্যগৰাকীয়ে বিৰোধীপক্ষৰ সাংসদসকলে প্ৰতিবাদ অব্যাহত ৰখাক লৈ অসন্তুষ্টি প্ৰকাশ কৰি তেওঁলোকক এই আলোচনাত অংশ লৈ সাংবিধানিক দায়িত্ব পালন কৰিবলৈ সোঁৱৰাই দিয়ে। ইয়াৰ পাছতো হুলস্থূলীয়া পৰিস্থিতি বাহাল থকাত অধ্যক্ষই দিনটোৰ বাবে সদন স্থগিত ঘোষণা কৰে।

ইয়াৰ পূৰ্বে কাৰ্যক্ৰমণিকা প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত  লোকসভা পুনৰ মিলিত হোৱাৰ সময়ত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ সংশোধনী বিধেয়ক, ২০২৫ উত্থাপন কৰে। শ্ৰী মতী সীতাৰমনে লগতে মণিপুৰ সামগ্ৰী আৰু সেৱা কৰ সংশোধনী অধ্যাদেশ, ২০২৫ প্ৰৱৰ্তন কৰি ততালিকে আইন প্ৰণয়নৰ কাৰণৰ বিষয়ে ব্যাখ্যামূলক বিবৃতি সদনৰ বিবেচনাৰ বাবে দাখিল কৰে। ইয়াৰ পাছতে সেইসময়ত সদন পৰিচালনাৰ দায়িত্বত থকা সন্ধ্যা ৰয়ে শূন্যকালৰ কাম-কাজ চলাই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী পক্ষৰ একাংশ সাংসদে সদনৰ মজিয়ালৈ উঠি যায় আৰু ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধন সন্দৰ্ভত আলোচনাৰ দাবী কৰি ধবনি দিবলৈ ধৰে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে শ্ৰীমতী ৰয়ে সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ৰাখে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত  সদন মিলিত হোৱাৰ সময়ত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰশ্নোত্তৰ কালৰ কাম আগুৱাই নিয়াৰ চেষ্টা চলাই যদিও বিৰোধী পক্ষৰ সদস্যসকলে ভোটাৰ তালিকাত বিশেষ বিস্তৃত সংশোধন সম্পৰ্কে আলোচনাৰ দাবী তুলি ধববনি দিবলৈ ধৰে। এনে হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালে স্মাৰ্ট চিটী অভিযানৰ স্থিতি সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰ দিয়ে। মন্ত্ৰী গৰাকীয়ে উত্তৰ দিয়াৰ সময়তো হুলস্থূলীয়া পৰিস্থিতি অব্যাহত থকাত অধ্যক্ষই সদনৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

ৰাজ্যসভাতো আজি অনুৰূপ পৰিস্থিতিৰ উদ্ভৱ হয়। প্ৰথমবাৰৰ বাবে কাৰ্যক্ৰমণিকা স্থগিত ৰখাৰ পাছত দিনৰ ২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত বিৰোধী সাংসদসকলে ভোটাৰ তালিকাৰ বিশেষ সংশোধনক লৈ ধবনি দিবলৈ আৰম্ভ কৰে। হুলস্থূলীয়া পৰিস্থিতিৰ মাজতে সদনত উপকূলীয় জাহাজ পৰিবহন বিধেয়ক গৃহীত হয়। ৰাজ্যসভাৰ বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই কয়, যে বিৰোধী পক্ষ সহযোগিতা কৰিবলৈ সাজু আছে, কিন্তু সদনে ভোটাৰ তালিকাৰ বিশেষ সংশোধন সন্দৰ্ভত আলোচনাৰ বাবে অনুমতি দিব লাগিব। হুলস্থূলীয়া পৰিৱেশৰ মাজতে সভাপতিয়ে সদনৰ কামকাজ দিনটোৰ বাবে স্থগিত ৰাখে। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত ৰাজ্যসভা মিলিত হোৱাৰ সময়ত উপসভাপতি হৰিবংশে বিভিন্ন ৰাজনৈতিক দলৰ পৰা ভিন ভিন বিষয় লৈ ২৫খন সভাস্থগিতকৰণৰ জাননী লাভ কৰা বুলি জানিবলৈ দিয়ে। তেওঁ লগতে সদন পৰিচালনাৰ নীতি-নিয়মৰ দোহাই দি জাননী কেইখন প্ৰত্যাখ্যান কৰা বুলি প্ৰকাশ কৰে। ইয়াৰ পাছতে বিৰোধী পক্ষৰ সাংসদসকলে ধবনি দিবলৈ আৰম্ভ কৰে। উপ-সভাপতিগৰাকীয়ে  কয়, যে বৰ্ষাকালীন অধিৱেশনৰ সময়ছোৱাত ইতিমধ্যে  ৫১ ঘণ্টাৰো অধিক সময় ৰাজ্যসভাত কাম-কাজ বিঘ্নিত হৈছে। ইয়াৰ পাছতো অচলাৱস্থা অব্যাহত থকাত উপসভাপতিগৰাকীয়ে সদনৰ কাক্ৰমণিকা দিনৰ ২ বজালৈ স্থগিত ৰাখিবলৈ বাধ্য হয়।

০০০০০০০

এন ডি এ-য়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ৰাজ্যসভাৰ নেতা জে পি নাড্ডাক মিত্ৰজোঁটৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী বাছনি কৰাৰ দায়িত্ব অৰ্পণ কৰিছে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে আজি নতুন দিল্লীত এখন সংবাদ মেলযোগে এই বিষয়ে প্ৰকাশ কৰি কয়, যে সংসদীয় চৌহদত অনুষ্ঠিত এন ডি এৰ সংসদীয় দলৰ নেতাসকলৰ এখন বৈঠকত আজি সৰ্বসন্মতিক্ৰমে এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। দেশৰ উপ-ৰাষ্ট্ৰপতি পদৰ বাবে অহা ৯ ছেপ্তেম্বৰত নিৰ্বাচন অনুষ্ঠিত হব। এই পদৰ নিৰ্বাচনৰ বাবে মনোনয়ন

দাখিলৰ অন্তিম দিন ২১ আগষ্ট ধাৰ্য কৰা হৈছে। অহা ৯ ছেপ্তেম্বৰতেই নিৰ্বাচনৰ ভোটগণনাও কৰা হব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে যোৱা ২১ জুলাইত জগদীপ ধনখড়ে স্বাস্থ্যজনিত কাৰণত উপ-ৰাষ্ট্ৰপতি পদৰ পৰা অব্যাহতি লোৱাৰ পৰিপ্ৰেক্ষিতত এই নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰয়োজন হয়।

0000000

দেশৰ বৰ্ণাঢ্য বয়ন পৰম্পৰাক স্বীকৃতি দি আজি বিভিন্ন অংশত একাদশ ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰা হয়। ব্ৰিটিছ শাসনক প্ৰতিহত কৰাৰ অংশ হিচাপে ১৯০৫ চনৰ ৭ আগষ্টত আৰম্ভ কৰা ঐতিহাসিক স্বদেশী আন্দোলনৰ প্ৰতি সন্মান জনাই এই দিৱস পালন কৰা হয়। এই আন্দোলনে থলুৱা উদ্যোগ, বিশেষকৈ হস্ততাঁতশিল্পৰ প্ৰসাৰ ঘটাইছিল।

কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰীৰাজ সিঙে আজি নতুন দিল্লীত সন্ত কবিৰ হস্ততাঁত বঁটা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা ২০২৫ প্ৰদান কৰে। সন্ত কবিৰ বঁটাত ৩ লাখ ৫০ হাজাৰ টকা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটাত ২ লাখ টকা প্ৰদান কৰা হৈছে। এই বঁটাৰ জৰিয়তে হস্ততাঁত খণ্ডত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা বয়ন শিল্পী, চানেকি প্ৰস্তুত কৰোতা, ষ্টাৰ্টআপ আৰু ইয়াৰ সৈতে জড়িত কোম্পানীসমূহক স্বীকৃতি প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী সিঙে কয়, যে বৰ্তমান বিশ্বত বহনক্ষম বস্ত্ৰ সামগ্ৰীৰ চাহিদা বৃদ্ধি পাইছে আৰু ভাৰতীয় হস্ততাঁত উদ্যোগে এই প্ৰয়োজন পুৰণ কৰিবলৈ সমৰ্থ হৈছে। কিন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে হস্ততাঁত সামগ্ৰীসমূহক সমগ্ৰ বিশ্বতে জনপ্ৰিয় কৰি তুলিবলৈ আহ্বান জনায়। তেওঁ লগতে উল্লেখ কৰে যে, দেশৰ বয়নশিল্পীসকলৰ আৰ্হিসমূহ সুৰক্ষিত কৰি ৰখাৰ ক্ষেত্ৰত হস্ততাত আৰু বস্ত্ৰ মন্ত্ৰ্যালয়ে কাম কৰি আছে।

অনুষ্ঠানত অংশ লৈ বস্ত্ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কয়, যে ই-বাণিজ্যৰ একত্ৰিকৰণৰ জৰিয়তে এখন বৃহত বজাৰৰ সুবিধা দি বয়নশিল্পীসকলক সৱলীকৰণৰ ক্ষেত্ৰত গুৰুত্ব দিয়া হৈছে। তেওঁ লগতে কয়, যে জি আই টেগ যুক্ত সামগ্ৰী আৰু হস্ততাঁত চিহ্ন তথা হস্ততাঁত ভাৰত ব্ৰেণ্ডৰ জৰিয়তে চৰকাৰে প্ৰমাণিকৃত, গুণগত আৰু পৰিৱেশ অনুকূল শিল্প কৌশল সুনিশ্চিত কৰিছে।

অসমত হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ উদ্যোগত আজি গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত একাদশ ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰা হয়। ইপিনে উত্তৰ-পূব হস্তশিল্প আৰু হস্ততাঁত নিগম লিমিটেডে

গুৱাহাটীৰ হস্তশিল্প প্ৰসাৰ আৰু অভিজ্ঞতা কেন্দ্ৰত আয়োজন কৰা বিশেষ অনুষ্ঠানত অসমৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে হস্ততাঁতজাত সামগ্ৰীসমূহ আমাৰ পৰিচয় আৰু ৰাষ্ট্ৰৰ গৌৰৱ বুলি উল্লেখ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উপলক্ষে দেশবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে এই দিনটোত দেশৰ বৰ্ণাঢ্য বয়ন পৰম্পৰাক উদযাপন কৰা হয় যিয়ে নাগৰিকসকলৰ সৃষ্টিশীলতা প্ৰদৰ্শন কৰে। প্ৰধানমন্ত্ৰীয়ে দেশৰ হস্ততাঁত খণ্ডত থকা বিবিধতা আৰু জনসাধাৰণৰ জীৱন ধাৰণ তথা সমৃদ্ধিৰ ক্ষেত্ৰত ইয়াৰ ভূমিকাক লৈ গৌৰৱবোধ কৰে বুলি প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্য সভাৰ অনুমোদনৰ পিছতে আজি সংসদত উপকূলীয় জাহাজ বিধেয়ক-২০২৫ গৃহীত হয়। বিধেয়কখন ইয়াৰ পূৰ্বে লোকসভাত অনুমোদিত হৈছিল। এই বিধেয়কখনৰ জৰিয়তে দেশৰ জলসীমাৰ ভিতৰত বাণিজ্যৰ সৈতে জড়িত জাহাজসমূহক সামৰি লোৱা হ'ব। উপকূলীয় জাহাজ পৰিবহন নিয়ন্ত্ৰণৰ সৈতে জড়িত আইনসমূহ একত্ৰিত আৰু সংশোধন, উপকূলীয় বাণিজ্য আৰু ঘৰুৱা অংশীদাৰীত্বক উৎসাহিত কৰাটো এই আইনখনৰ মূল লক্ষ্য। এই বিধেয়কখনে ৰাষ্ট্ৰীয় সুৰক্ষা আৰু ব্যৱসায়িক প্ৰয়াজনীয়তাৰ বাবে দেশৰ নাগৰিকৰ মালিকনাধীন আৰু পৰিচালনাৰ দিশটো নিশ্চিত কৰিব।

বিধেয়কখন সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত এয়া এক উল্লেখযোগ্য সংস্কাৰ পদক্ষেপ। ইয়াৰ জৰিয়তে দেশৰ ব্যপক আৰু কৌশলগত উপকুলীয় সম্ভাৱনাৰ দুৱাৰ মুকলি হোৱাটো সম্ভৱ হ'ব। তেওঁ কয় যে ইয়াৰ জৰিয়তে ২০৩০ চনৰ ভিতৰত দেশৰ উপকূলীয় মালবাহী যাতায়াতৰ লক্ষ্য ২৩ কৌটি মেট্ৰিক টনৰ লক্ষ্যত উপনীত হ'ব। তেওঁ লগতে কয় যে এই বিধেয়কখনে উপকূলীয় বাণিজ্য অধিক প্ৰতিযোগিতামূলক কৰাৰ লগতে ব্যৱসায় সহজ কৰাত সহায়ক হ'ব ।

ইয়াৰ পূৰ্বে আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ দৰ্শন সিঙে কয় যে বিধেয়কখনে উপকূলীয় অঞ্চলত দেশৰ সামুদ্ৰিক সামৰ্থ্য বৃদ্ধি কৰাৰ লগতে ইয়াক সবল কৰিও তুলিব। এই বিধেয়কে দেশক আত্মনিৰ্ভৰতা, সুৰক্ষা আৰু সৰ্বাত্মক

বিকাশৰ ক্ষেত্ৰত আগবঢ়াই নিব। শ্ৰীমতী সিঙে লগতে কয় যে দেশৰ ব্যপক অংশ উপকূলীয় সিমাৰে আগুৰা হ'লেও ইয়াৰ জৰিয়তে দেশৰ অৰ্থনীতিৰ সম্ভাৱনাসমূহ সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিব পৰা নাই। তেওঁ লগতে কয় যে মুঠ  লজিষ্টিক যাতায়াতৰ মাথো ছয়ৰ পৰা সাত শতাংশহে  উপকূলীয় জাহাজ পৰিবহনে সামৰি লৈছে। শিৱসেনাৰ মিলিন্দ মুৰলী ডেওৰাই কয় যে এই বিধেয়কে দেশৰ অৰ্থনীতি সৰল কৰাৰ বাবে মেক ইন ইণ্ডিয়া কাৰ্য্যসুচীক উৎসাহিত কৰিব। তেওঁ লগতে কয় যে জাহাজেৰে পৰিবহনৰ ক্ষেত্ৰত কেৱল যে ধনেই ৰাহি হয় এয়া নহয়,পৰিৱেশ ৰক্ষাতো সহায় কৰিব। তেওঁ লগতে কয় যে বিগত দহ বছৰত উপকূলীয় জাহাজ আৰু ৰাষ্ট্ৰীয় জলপথসমূহ দ্ৰুতগতিত বৃদ্ধি পাইছে। তেওঁ কয় যে ১০ বছৰ পূৰ্বে  ৰাষ্ট্ৰীয় জলপথেৰে মাথো ১ দশমিক ৮ কৌটি  টন সামগ্ৰীহে যাতায়ত কৰা হৈছিল যদিও বৰ্তমান ১৩ দশমিক ৩ কৌটি টন সামগ্ৰী স্থানান্তৰ কৰা হয় ।  উল্লেখযোগ্য যে এ আই এ ডি এম কেৰ ড° এম থাম্বিডুৰাই , টি ডি পিৰ মাষ্টান ৰাও যাদৱ, অসম গণ পৰিষদলৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, বি জে পিৰ কল্পনা চাইনী আৰু আন কেইবাজনো সদস্যই বিধেয়কখন সন্দৰ্ভত হোৱা আলোচনাথ অংশগ্ৰহণ কৰে।

0000000

উত্তৰ-পূব খণ্ড উন্নয়ন মন্ত্ৰালয়ে অসমৰ মঙলদৈ-মাজিকুছি সংযোগী পথ নিৰ্মাণত অনুমোদন জনাইছে। উত্তৰ-পূব বিশেষ আন্তঃগাঁথনি উন্নয়ন আঁচনিৰ অধীনত প্ৰায় ৪৫ কোটি ৩১ লাখ টকা ব্যয় সাপেক্ষে ১৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথটো নিৰ্মাণ কৰা হব। মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে এই প্ৰকল্পই দৰং আৰু ওদালগুৰি জিলাৰ মাজত পোনপটীয়া সংযোগ স্থাপন কৰি মঙলদৈ আৰু ভেৰগাঁৱৰ মাজৰ দূৰত্ব সাত দশমিক দুই কিলোমিটাৰলৈ হ্ৰাস কৰিব।

0000000

ফিলিপাইনছৰ ৰাষ্ট্ৰপতি ফাৰ্ডিনাণ্ড ৰোমনালডেজ মাৰ্কোছ জুনিয়ৰে এছিয়া মহাদেশৰ বিকাশ আৰু সমৃদ্ধিৰ বাবে ভাৰতৰ সৈতে অংশীদাৰিত্ব কামনা কৰিছে। বেংগালুৰত আজি ফিলিপাইনছ-ভাৰত ব্যৱসায় মঞ্চত অংশগ্ৰহণ কৰি দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দুয়োখন দেশে আঞ্চলিক জ্ঞানৰ আদান-প্ৰদান, যোগান শৃংখলা সুদৃঢ় কৰা আৰু এই খণ্ডত ব্যাপক উদ্ভাৱন সুনিশ্চিত কৰাৰ ক্ষেত্ৰত একেলগে কাম কৰিব পাৰে। তেওঁ বৈদ্যুতিক বাহন, উন্নত বৈদ্যুতিক সামগ্ৰী, পুনৰ নৱীকৰণযোগ্য শক্তি, কৃষি, স্বাস্থ্য আৰু ছাইবাৰ সুৰক্ষা- এই ছটা খণ্ডত দীঘলীয়া সহযোগিতাৰ কথা উল্লেখ

কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে ভেষজ, গৱেষণা, আৰ্হি আৰু বিকাশ, ডিজটেল প্ৰযুক্তি আৰু নিকা শক্তিৰ ক্ষেত্ৰত ভাৰতৰ দক্ষতাৰ শলাগ লৈ ভাৰতৰ সৈতে এইসমূহ খণ্ডত অংশীদাৰিত্বলৈ আগ্ৰহ প্ৰকাশ কৰে।

ooooooo

কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী তথা বি জে পি নেতা জগৎ প্ৰকাশ নাড্ডাই আজি পশ্চিমবংগত বিৰোধী দলৰ নেতা সুভেন্দু অধিকাৰীক টি এম চিৰ কৰ্মীসকলে অন্যায়ভাৱে আক্ৰমন কৰা কাৰ্য্যৰ গৰিহনা দিয়ে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী নাড্ডাই কয় যে এই আক্ৰমণ হৈছে গণতন্ত্ৰৰ প্ৰতি কৰা আক্ৰমন। তেওঁ লগতে কয় যে আৰক্ষীৰ উপস্থিতিত হোৱা এই আক্ৰমনে ৰাজ্যখনত মমতা বেনাৰ্জী নেতৃতাধীন চৰকাৰখনৰ আইন - শৃংখলাৰ শোচনীয় দিশটোকে প্ৰতিফলিত কৰিছে। ৰাজ্যখনত আইন-শৃংখলাহীন অৱস্থা আৰু ৰাজনৈতিক হিংসাত্মক ঘটনাৰ বাবে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে নৈতিক দায়িত্ব স্বীকাৰ কৰিব লাগে বুলিও বিজেপি নেতাগৰাকীয়ে প্ৰকাশ কৰে।

ooooooo

***সমাপ্ত***